# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১

ফোনঃ ০১১–২৩০৭০৫৭৭০, ফেক্সঃ ০১১–২৩০০৫৭৮৭


তাং–১৫ ফেব্ৰুৱাৰী ২০১৩

## বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা সাংসদ শ্ৰী প্ৰকাশ জাভড়েকাৰে জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

বিজেপিয়ে ১২ খন AW ১০১ হেলিকপ্টাৰ ক্ৰয় কৰাৰ ক্ষেত্ৰত, যাৰ মূল্য ৩৫০০ কোটি টকাতকৈও অধিক, হোৱা লেনদেনৰ আদালতৰ নিৰীক্ষণত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত চি বি আইৰ দ্বাৰা তদন্ত কৰাৰ দাবী জনাইছে। আদালতৰ নিৰীক্ষণ অবিহনে ইউ পি এৰ শাসনত চি বি আই তদন্তই কোনো ফল নেদেখুৱায়। ২ জি কেলেংকাৰীৰ দৰে আন দুৰ্নীতিৰ ক্ষেত্ৰতো কংগ্ৰেছে হেঁচাত পৰি তদন্তৰ নিৰ্দেশ দিলেও পৰৱৰ্তী সময়ত ইয়াৰ তদন্ত লেহেমীয়া কৰিছিল। উচ্চতম ন্যায়ালয়ে নিৰীক্ষণ কৰাৰ পিছতহে ইয়াৰ তদন্ত আগুৱাইছিল। অন্যথা ১৫ মাহ ধৰি ইয়াৰ তদন্ত আগুৱাব পৰা নাছিল।

চৰকাৰে ভি ভি আই পি কপ্টাৰ কেলেংকাৰীৰ উপযুক্ত তদন্ত এৰাই চলা বুলি বিজেপিয়ে অভিযোগ কৰিছে। এইক্ষেত্ৰত উতকোচ প্ৰদানৰ কথা বিগত বৰ্ষতে ভাৰত আৰু ইটালীৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল। এই অভিযোগ উত্থাপিত হোৱাৰ পিচতে ইটালীৰ চৰকাৰে বিষয়টোৰ ক্ষেত্ৰত গুৰুত্বসহকাৰে তদন্ত আৰম্ভ কৰিছিল, কিন্তু ভাৰত চৰকাৰে ইয়াৰ উপযুক্ত তদন্ত চলোৱাৰ ক্ষেত্ৰত কোনো আগ্ৰহ প্ৰকাশ কৰা নাছিল। আন নালাগে বাতৰিত প্ৰকাশ পোৱা মতে চৰকাৰে এইক্ষেত্ৰত আভ্যন্তৰীণ তদন্তত এই চুক্তিক ‘ক্লীন শ্বিট’ দিয়াৰ বাবে আগ্ৰহী আছিল। বিজেপিয়ে প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ আভ্যন্তৰীণ তদন্তৰ বিতং তথ্য প্ৰকাশ কৰাৰ দাবী জনোৱাৰ লগতে কেনেদৰে এইক্ষেত্ৰত কোনো ‘অনিয়ম’ সংঘটিত নোহোৱাৰ সিদ্ধান্তত উপনীত হৈছিল সেয়া জানিব বিচাৰিছে।

উল্লেখযোগ্য যে, চৰকাৰে ইয়াৰ আভ্যন্তৰীণ তদন্তৰ কথা মই ৰাজ্যসভাত ২০১২ চনৰ ১২ ডিচেম্বৰত সোধা প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা নাছিল। উত্তৰত চৰকাৰে নিজৰ অসহায় অৱস্থাৰ কথা এইবুলি উল্লেখ কৰিছিল ‘কোনো উপযুক্ত তথ্য নথকাৰ ফলত চৰকাৰে এইক্ষেত্ৰত ভাৰতীয় সংস্থাৰ দ্বাৰা কোনো আনুষ্ঠানিক তদন্ত আৰম্ভ কৰা নাই।’ প্ৰকৃততে চৰকাৰে সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত তদন্ত আৰম্ভ কৰিব পাৰিলেহেঁতেন। ইয়াৰ বাবে ইটালীৰ পৰা কোনো আনুষ্ঠানিক তথ্য লাভ কৰাৰ প্ৰয়োজন নাছিল।

হাস্কে আৰু তেওঁৰ সহযোগী জেৰোছাৰ আলাপৰ লিখিত তথ্য ৰাজহুৱাভাৱে উপলব্ধ হোৱা আজি প্ৰায় চাৰিমাহ হ’ল। কেন্দ্ৰীয় চৰকাৰে এইক্ষেত্ৰত কোনো গুৰুত্ব প্ৰদান নকৰিলে।

এই সন্দেহজনক চুক্তিৰ ক্ষেত্ৰত চৰকাৰে কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ ফলতে ফিনমেকানিকাৰ ভাৰতৰ মুৰব্বী শ্ৰী জেৰোছা, যি এই উতকোচৰ এক যোগসূত্ৰ, তেওঁ ভাৰত ত্যাগ কৰি যাবলৈ সক্ষম হ'ল।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে নিজৰ ভুল স্বীকাৰ কৰাৰ পৰিৱৰ্তে 'প্ৰযুক্তিগত দিশ' উল্লেখ কৰি বিষয়টো আনদিশে নিবলৈ চেষ্টা কৰিছে আৰু এন ডি এৰ নাম সংযোজিত কৰিছে। প্ৰযুক্তিগত দিশ প্ৰকৃত বিষয় নহয়। প্ৰকৃত বিষয় হ'ল দুৰ্নীতি আৰু উতকোচ তথা উপযুক্ত সময়ত তদন্তৰ নিৰ্দেশ দিবলৈ আৰু ইয়াৰ পৰা লাভান্বিত হোৱা ভাৰতীয়সকলক বিচাৰি উলিওৱাৰ ক্ষেত্ৰত হোৱা চৰকাৰৰ বিফলতা।

দুৰ্নীতিত কংগ্ৰেছ চৰকাৰ ডিঙিলৈকে পোত গৈছে। কমনৱেলথ গেম, ২ জি, কয়লাক্ষেত্ৰ আৱন্টন, ঋণ মাফ আৰু আন বহুতো দুৰ্নীতি এতিয়া ইউ পি এ চৰকাৰৰ পৰিচয় হৈ পৰিছে।

শেহতীয়া ভি ভি আই পি কপ্টাৰ কেলেঙ্কাৰী এক বৃহত কেলেঙ্কাৰী আৰু চৰকাৰে দেশৰ সৈতে জড়িত নিম্নোক্ত বিষয়সমূহৰ উত্তৰ দিব লাগিব।

(১) কোনে এই ভি ভি আই পি কপ্টাৰ চুক্তি চূড়ান্ত কৰিছিল আৰু স্বাক্ষৰ কৰিছিল?

(২) কোনে উতকোচ লাভ কৰিছিল?

(৩) দুটা স্থানত ইটালীৰ চাৰ্জশ্বিটত কোৱা হৈছে ২৮ নিযুত ইউৰো 'পৰিয়াল'ক দিয়া হৈছে। এই 'পৰিয়াল' কোন দেশে জানিব বিচাৰে।

(৪) হাস্কে আৰু এমাৰ এম জি এফৰ মাজত সম্পৰ্ক কি?

(৫) আই ডি এছ ইণ্ডিয়াৰ এই কপ্টাৰ কেলেঙ্কাৰীত ভূমিকা কি?

(৬) এই কেলেঙ্কাৰীৰ সন্দৰ্ভত চৰকাৰে 'লেটাৰ ৰগেটৰি' জাৰী কৰিছিল নে?

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত